# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 05-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি গোৱা চৰকাৰৰ কল্যাণমূলক কাৰ্যসূচী **মহজে ঘৰ য়োজনা** মুকলি কৰে।

২। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰে অহা ৮ অক্টোবৰত দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৩। গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই কালি নতুন দিল্লীত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব সঞ্জয় কুমাৰক সাক্ষাৎ কৰে।

৪। ভাৰতৰ সীমান্ত পথ সংস্থা বি আৰ অ'য়ে লাডাখৰ মিগ লা পাছত বিশ্বৰ সবাতোকৈ উচ্চতাত থকা মটৰ পৰিবহন পথ নিৰ্মাণ কৰিছে।

***আৰু***

৫। আই চি চি মহিলা এদিনীয়া ক্ৰিকেট বিশ্বকাপত কলম্বোত হ'বলগীয়া দ্বিতীয়খন খেলত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি গোৱাৰ তালেইগাঁৱৰ ড০ শ্যামাপ্ৰসাদ মুখাৰ্জী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এটা অনুষ্ঠানত গোৱা চৰকাৰৰ কল্যাণমূলক কাৰ্যসূচী **মহজে ঘৰ য়োজনা** মুকলি কৰে। এই আঁচনিৰ লক্ষ্য হৈছে চৰকাৰী আৰু সামূহিক ভূমিত নিৰ্মিত গৃহসমূহৰ মালিকীস্বত্ব দীৰ্ঘদিন ধৰি বাস কৰা বাসিন্দাসকলক প্ৰদান কৰা। শ্ৰী শ্বাহে দুহেজাৰ ৪৫২ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া উন্নয়ন প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে।

গোৱাৰ মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱান্ত, কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীপদ নাইক আৰু কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া এই অনুষ্ঠানত উপস্থিত থাকে। কালি অনুষ্ঠানত উপস্থিত থকা লোকসকলক সম্বোধন কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয়, যে **মহজে ঘৰ য়োজনাই** এন ডি এ চৰকাৰৰ অধীনত আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত হোৱা সংস্কাৰসমূহকে প্ৰতিফলিত কৰিছে। তেওঁ কয়, যে এয়া হৈছে দক্ষ প্ৰশাসন আৰু সংবেদনশীল চৰকাৰৰ প্ৰতিফলন।

ooooo

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰে অহা ৮ অক্টোবৰত দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমবাৰলৈ ভাৰত ভ্ৰমণ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ এটা সূত্ৰত প্ৰকাশ পাইছে যে, ৯ অক্টোবৰত মুম্বাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে **ভিছন ২০৩৫**ৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে ভাৰত আৰু ব্ৰিটেইনৰ কৌশলগত অংশীদাৰিত্বৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এয়া হৈছে ১০ বছৰীয়া এক সময় নিৰ্ধাৰিত কাৰ্যসূচী আৰু পদক্ষেপ, যাৰ জৰিয়তে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু আৰু শক্তি, স্বাস্থ্য, শিক্ষা আৰু জনসম্পৰ্কক অগ্ৰাধিকাৰ দিয়া হৈছে।

দুয়োগৰাকী নেতাই ব্যৱসায়িক আৰু উদ্যোগীক ক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ সৈতে বাৰ্তালাপত মিলিত হ'ব। ইয়াৰ জৰিয়তে ভাৰত আৰু ব্ৰিটেইনৰ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি সন্দৰ্ভত আলোকপাত কৰা হ'ব। দুয়োগৰাকী নেতাই পৰস্পৰ স্বাৰ্থজৰিত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ক্ষেত্ৰত ভাব বিনিময় কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে মুম্বাইত হ'বলগীয়া **গ্লোবেল ফিনটেক ফেষ্ট**ৰ ষষ্ঠ সংস্কৰণত অংশগ্ৰহণ কৰিব। তেওঁলোকে ঔদ্যোগীক বিশেষজ্ঞ, নীতি নিৰ্ধাৰক আৰু উদ্ভাৱকসকলৰ সৈতেও বাৰ্তালাপ কৰিব।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু ব্ৰিটেইনৰ মাজত সু-সম্পৰ্ক স্থাপন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় বায়ু সেনাৰ টেষ্ট পায়লট, ইছৰ'ৰ মহাকাশচাৰী আৰু আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয়, গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই কালি নতুন দিল্লীত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব সঞ্জয় কুমাৰক সাক্ষাৎ কৰে।

সামাজিক মাধ্যমৰ এটা পোষ্টত শিক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰে যে, এই বৈঠকত বিকশিত ভাৰত বিল্ডাথন ২০২৫ সন্দৰ্ভত আলোচনা কৰা হয়। এই আলোচনাত বিকশিত ভাৰতৰ যাত্ৰাত শৈক্ষিক খণ্ডত বৈজ্ঞানিক ভাৱনা, সৃষ্টিশীলতা আৰু শিক্ষাৰ্থীৰ মাজত উদ্ভাৱনৰ  পৰিৱেশ সৃষ্টি কৰা দিশটোৰে গুৰুত্ব লাভ কৰে।

উল্লেখযোগ্য যে, শুভাংশু শুক্লাক বিকশিত ভাৰত বিল্ডাথন ২০২৫ৰ ব্ৰেণ্ড এম্বেচাদৰ হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধাৰ অৰ্থে ঘোষণা কৰা  জি এছ টি সঞ্চয় উৎসৱ যোৱা ২২ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হৈছে। পৰৱৰ্তী প্ৰজন্মৰ এই  জি এছ টি সংস্কাৰে দেশৰ পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰি তুলিছে। এই সংস্কাৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ প্ৰদান কৰিছে।

আজি আমি জি এছ টি সংস্কাৰৰ ফলত পশ্চিমবংগৰ বিভিন্ন উদ্যোগ কিধৰণে সকাহ লাভ কৰিছে, সেই বিষয়ে আলোকপাত কৰিছোঁ। নতুন জি এছ টি সংস্কাৰে পশ্চিমবংগৰ কাৰিকৰ, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়িক সকাহ প্ৰদান কৰিছে। দুহেজাৰ ৫০০ টকাৰ বস্ত্ৰৰ ক্ষেত্ৰত পূৰ্বৰ ১২ শতাংশৰ পৰা জি এছ টি বৰ্তমান ৫ শতাংশলৈ হ্ৰাস পাইছে। ইয়াৰ ফলত স্থানীয় বস্ত্ৰ ব্যৱসায়ীসকল আৰু বস্ত্ৰ উদ্যোগ লাভান্বিত হৈছে। পশ্চিমবংগৰ পৰম্পৰাগত শিল্প আৰু স্থানীয় উৎপাদিত সামগ্ৰীসমূহত ইয়াৰ সু-প্ৰভাব স্পষ্ট। হস্ত নিৰ্মিত সামগ্ৰী যেনে- শান্তি নিকেটনৰ ছামৰাৰ পৰা

উৎপাদিত বিভিন্ন সামগ্ৰী, বানকুৰা টেৰাকোটা, পুৰুলিয়া মুখা, কাঁথা এম্ব্ৰয়দাৰী আৰু আমৰ পৰা উৎপাদিত বিভিন্ন খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত ৫ শতাংশ জি এছ টি নিৰ্ধাৰণ কৰা হৈছে।

00000

ভাৰতৰ সীমান্ত পথ সংস্থা বি আৰ অ'য়ে লাইন অফ এক্সুৰেল কণ্টোলৰ সমীপৰ লাডাখৰ মিগ লা পাছত সাগৰ পৃষ্ঠৰ পৰা ১৯ হাজাৰ ৪০০ ফুট উচ্চতাত বিশ্বৰ সবাতোকৈ উচ্চতাত থকা মটৰ পৰিবহনৰ পথ নিৰ্মাণ কৰিছে। এই সফলতাৰ জৰিয়তে বি আৰ অ'য়ে সাগৰ পৃষ্ঠৰ পৰা ১৯ হাজাৰ ২৪ ফুট উচ্চতাত অৱস্থিত ২০২১ চনত নিৰ্মাণ কৰা ওমলিং লা পথৰ অভিলেশ ভংগ কৰিছে। সংস্থাটোৱে বিগ্ৰেডিয়াৰ বিশাল শ্ৰীবাস্তৱৰ নেতৃত্বত জাতীয় পতাকা উত্তোলন কৰি এই সফলতা উদযাপন কৰে। নতুন কৈ নিৰ্মিত এই পথটো কৌশলগত দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ আৰু ই সীমান্তৱৰ্তী গাঁও ফুকচেৰ নিচেই সমীপত অৱস্থিত। পথটোৱে লাডাখত পৰ্যটনৰ সম্ভাৱনা কঢ়িয়াই আনিছে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২৬ৰ ৩১ মাৰ্চৰ ভিতৰত বাওপন্থী উগ্ৰবাদৰ পৰা ভাৰতক মুক্ত কৰাৰ সংকল্পৰ কথা পুনৰবাৰ প্ৰকাশ কৰিছে। মাওবাদীসকলক হিংসাৰ পৰা আঁতৰি সমাজৰ মূল সুঁতিলৈ ঘূৰি আহিবলৈ আহ্বান জনাই তেওঁ কয়, যে সশস্ত্ৰ সংগ্ৰামৰ পথত থকা সকলে কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব। কালি ছত্তিশগড়ৰ জগদলপুৰত অনুষ্ঠিত হোৱা বস্তৰ দশেৰা লোক উৎসৱত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে নক্সালবাদৰ সমস্যাৰ বাবে এই অঞ্চল উন্নয়নৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে অহা বছৰৰ ৩১ মাৰ্চৰ পিছত উগ্ৰপন্থীয়ে বস্তৰৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিব নোৱাৰিব বুলি তেওঁ উল্লেখ কৰে। লগতে গৃহমন্ত্ৰীগৰাকীয়ে কালি বস্তৰত গ্ৰামীন বাছ সেৱা যোজনাৰো শুভাৰম্ভণি কৰে। এই আঁচনিৰ অধীনত বস্তৰ আৰু সুৰগুজা সংমগুলৰ ৩৪ টা পথত বাছ চলাচল কৰিব। এই অনুষ্ঠানতে শ্ৰী শ্বাহে চত্তিশগড় চৰকাৰৰ মহাতৰী বন্দন যোজনাৰ অধীনত বিংশ কিস্তি হিচাপে ৭০ লাখ মহিলাৰ বেংক একাউণ্টত ৬০০ কোটিতকৈও অধিক টকা হস্তান্তৰ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বস্তৰৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মুৰববীসকলৰ সৈতেও মত বিনিময় কৰে।

00000

এন ডি এ চৰকাৰে দক্ষতা আৰু উদ্ভাৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভৱিষ্যতে নেতৃত্ব দিবলৈ যুৱ শক্তিক সাজু কৰি আছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত কৌশল দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মন্তব্য কৰে। এই অনুষ্ঠানত শ্ৰীমোদীয়ে ৬২ হাজাৰ কোটি টকাৰ বিভিন্ন যুৱ পদক্ষেপৰ উন্মোচন কৰে। এই পদক্ষেপসমূহে সমগ্ৰ দেশতে শিক্ষা, দক্ষতা আৰু উদ্যোগীকৰণত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে উন্নত আই টি আই এছ-পিএম - সেতুৰ জৰিয়তে প্ৰধানমন্ত্ৰী দক্ষতা আৰু নিয়োগ যোগ্যতা পৰিৱৰ্তন কাৰ্যসূচীৰো শুভাৰম্ভ কৰে।

00000

আই চি চি মহিলা এদিনীয়া ক্রিকেট বিশ্বকাপত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন খেলত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। ডি এল এছ পদ্ধতিৰে শ্ৰীলংকাক ৫৯ ৰানত পৰাস্ত কৰি ভাৰতৰ মহিলা দলটোৱে প্ৰথমখন খেলত জয়লাভ কৰিছিল।

ভাৰতৰ বাবে আজিৰ খেলখন ছেমিফাইনেলৰ বাবে যোগ্যতা নিৰূপনকাৰী খেল হিচাপে পৰিগণিত হৈছে।

কালি আৰ প্ৰেমদাছা ষ্টেডিয়ামত শ্ৰীলংকা আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে অমীমাংসিত হৈ ৰয়।

ooooo

বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপ ২০২৫ত ভাৰতে কালি তিনিটা পদক অৰ্জন কৰিছে। নতুন দিল্লীত অনুষ্ঠিত খেলখনত ভাৰতে এতিয়া লৈকে ৬টা সোণ, সাতটা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদকৰে মুঠ ১৮টা পদক লাভ কৰিছে।

কালি মহিলা ক্লাব থ্ৰ' এফ 51 ত একতা ভ্যানে আৰু পুৰুষৰ শ্বট পুট এফ57 ত সোমন ৰাণাই ৰূপৰ পদক লাভ কৰে। পুৰুষৰ হাই জাম্প টি 64 ত প্ৰবীণ কুমাৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

জাপানৰ কোবেত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ পূৰ্বৰ সংস্কৰণত ভাৰতে ৬টা স্বৰ্ণ, ৫টা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদকেৰে মুঠ ১৭টা পদক লাভ কৰিছিল।

বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপৰ দ্বাদশ সংস্কৰণত ১০৪খন দেশৰ দুহাজাৰৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ভাৰতৰ ৭৩ জনীয়া দলটোত ৫৪ জন পুৰুষ আৰু ১৯ গৰাকী মহিলা আছে। আজি প্ৰতিযোগিতাৰ সামৰণি পৰিব।

ooooo

সমাপ্ত